**নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত**
**আৰু অসমৰ ভিন্ন প্ৰান্তৰ শুভানুধ্যায়ীসকলৰ সহযোগত**
**গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক**
**ড০ উমেশ ডেকালৈ**
**ওপজা দিনৰ ওলগ জ্ঞাপন**

**স্থান : নৈ মহাবিদ্যালয়**
**দিনাংক : ১১ মাৰ্চ, ২০১৮**

নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে সমাজৰ বিজ্ঞসকলক সন্মান জনোৱা উদ্দেশ্য আগত ৰাখি ১১ মাৰ্চ, ২০১৮ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আসনৰ অধ্যাপকড০ উমেশ ডেকালৈ ওপজা দিনৰ ওলগ জ্ঞাপন উপলক্ষে অসমৰ ভিন্ন প্ৰান্তৰ শুভানুধ্যায়ীসকলৰ উপস্থিতিত নৈ মহাবিদ্যালয়ত পুৱা ১১.০০ বজাৰ পৰা এটি অনুষ্ঠান অনুষ্ঠিত হয় । অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বসন্ত বৰাৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত আৰু বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত বোকাখাত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অৰুণ বৰা,বিজয় শৰ্মা; ৰূপহী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ভদ্ৰকান্ত বৰা, ববিতা বৰুৱা ; চতিয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ববিতা বৰুৱা আদিয়ে বক্তব্য প্ৰদান কৰা ওলগনি সভাত নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ৰুণু দেৱীয়ে আঁত ধৰি অনুষ্ঠানটি আগবঢ়াই নিয়ে । নৈ অঞ্চলৰ শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানে সৌষ্ঠৱ বৃদ্ধি কৰা সভাত ড০ উমেশ ডেকাই নিজৰ জীৱনৰ বৰ্ণিল অভিজ্ঞতা ব্যক্ত কৰি সকলোকে জাতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি দ্বায়বদ্ধশীল হ'বলৈ আহ্বান জনায় । সদৌ শেষত ড০ বসন্ত বৰাই সকলোকে ধন্যবাদ জনায় আৰু অনুষ্ঠানৰ সামৰণি ঘোষণা হয় ।




শ্ৰদ্ধেয় ড° উমেশ ডেকা ছাৰলৈ
ওপজা দিনৰ ওলগ জ্ঞাপন